তোমালোকৰ মাজৰ কোনেও তেতিয়ালৈকে প্রকৃত মুমিন হ’ব নোৱাৰিব যেতিয়ালৈকে তাৰ ওচৰত মই তাৰ সন্তান, তাৰ পিতা আৰু সকলো মানুহতকৈ অধিক প্রিয়পাত্র নহওঁ।

আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কোনেও তেতিয়ালৈকে প্রকৃত মুমিন হ’ব নোৱাৰিব যেতিয়ালৈকে তাৰ ওচৰত
মই তাৰ সন্তান, তাৰ পিতা আৰু সকলো মানুহতকৈ অধিক প্রিয়পাত্র নহওঁ।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, কোনো এজন মুছলিম ব্যক্তি তেতিয়াহে পৰিপূৰ্ণ ঈমান্দাৰ বুলি বিবেচিত হ'ব, যেতিয়া তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামক তেওঁৰ পিতা-মাতা, সন্তান-সন্ততি আৰু সকলো মানুহতকৈ অধিক মুহাব্বত কৰিব। এই মুহাব্বতৰ দাবী হৈছে, তেখেতৰ আনুগত্য কৰা, তেখেতৰ পক্ষত থিয় হোৱা আৰু তেখেতৰ অবাধ্যতাৰ পৰা বিৰত থকা।

http://www.sunnah.global/hadeeth/as/show/5953